অসমীয়া খবৰ · ১০/৭

Date
Page No.

কংগ্ৰেছ-বিজেপিৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ অগপ সভাপতিৰ



# এনআৰচিৰ জৰিয়তে স্বদেশী সজাব খুজিছে অবৈধ বিদেশীক

ষ্টাফ ৰিপৰ্টাৰ, ৯ জুলাই ঃ ৰাজ্যত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ দ্বাৰা অবৈধ বিদেশী সমস্যাটো সমাধান হ'ব বুলি সকলোৱে আশা কৰিছিল যদিও তাৰ বিপৰীতে কংগ্ৰেছ আৰু বিজেপিয়ে এন আৰ চিৰ জৰিয়তে অবৈধ বিদেশীক স্বদেশী কৰাৰ শেষাংশ ৬ পৃষ্ঠাত

## এনআৰচিৰ জৰিয়তে স্বদেশী সজাব খুজিছে অবৈধ

প্ৰতিযোগিতাত নামি পৰিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰাজ্যৰ প্ৰধান আঞ্চলিক দল অসম গণ পৰিষদে। আজি আঞ্চলিক দলটোৰ আমবাৰীস্থিত কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত এই গুৰুতৰ অভিযোগ উত্থাপন কৰি সভাপতি অতুল বৰাই কয় ঃ বিজেপিয়ে ধৰ্মৰ ভিত্তিত অবৈধ বিদেশীক বিভক্ত কৰি হিন্দু-বাংলাদেশীসকলক নাগৰিকত্ব প্ৰদানৰ কথা ঘোষণা কৰি এন আৰ চিৰ আৰম্ভণিতেই আউল লগালে। ইয়াৰ বিপৰীতে দিছপুৰত শাসনাধিষ্ঠিত কংগ্ৰেছ চৰকাৰে নিৰ্ধাৰিত ভিত্তিবৰ্ষক চৰম ভ্ৰূকুটি প্ৰদৰ্শনেৰে অসমলৈ অহা সকলো অবৈধ বিদেশীক এন আৰ চিত অন্তৰ্ভুক্তিকৰণৰ গোপন প্ৰস্তাৱ ল'লে কেবিনেটত। ২০১৪ চনৰ ভোটাৰ তালিকালৈকে নাম থকা সকলোকে এন আৰ চিত অন্তৰ্ভুক্ত কৰিব লাগে বুলি উল্লেখ কৰি কংগ্ৰেছ চৰকাৰে অসম চুক্তিত স্বাক্ষৰ কৰা প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীকো অপমান কৰা বুলি কটাক্ষ কৰি সভাপতিগৰাকীয়ে কয় ঃ কংগ্ৰেছে অবৈধ বিদেশীৰ ভোটেৰে ২০১৬ চনৰ বিধানসভা নিৰ্বাচনৰ বৈতৰণী পাৰ হ'ব বিচাৰিছে। কংগ্ৰেছ আৰু বিজেপি অবৈধ বিদেশী তথা অবৈধ বাংলাদেশীৰ উগ্ৰ সমৰ্থক আৰু মুক্তিৰক্ষক বুলি সমালোচনা কৰি তেওঁ লগতে উল্লেখ কৰে যে অসমৰ মানুহে অতদিনে এজন বদনৰ কথাহে কৈ আছিল যদিও এতিয়া ৰাজ্যত কংগ্ৰেছ আৰু বিজেপিৰ পোছাক পৰিধান কৰা অগণন দেশদ্ৰোহী বদনৰ ভিৰ। স্বাহ্নীয়া অসম আন্দোলন, ৮৫৫ জন শ্বহীদৰ ত্যাগ আৰু অসম চুক্তিক অপমান কৰা আৰু ৰাজ্যৰ ভূমিপুত্ৰসকলৰ অস্তিত্বৰ প্ৰতি থকা ভাবুকি কঢ়িয়াই অনা এইসকল বদনক ৰাইজে শীঘ্ৰে চিনাক্ত কৰি কঠোৰ শাস্তি বিহিব বুলিও তেওঁ কয়। এন আৰ চিৰ ভিত্তিবৰ্ষ ১৯৭১ চনৰ ২৫ মাৰ্চ হ'বই লাগিব বুলি ঘোষণা কৰি সভাপতিগৰাকীয়ে প্ৰকাশ কৰে যে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পাছত অহা জাতি-ধৰ্ম নিৰ্বিশেষে অবৈধ বিদেশীয়ে অসম ত্যাগ কৰিবই লাগিব। এন আৰ চিৰ ভিত্তিবৰ্ষ ১৯৭১ চনৰ ২৫ মাৰ্চ হ'ব লাগে বুলি যিবোৰ ৰাজনৈতিক দল-সংগঠনে মতপোষণ কৰি আহিছে তেওঁলোকক কংগ্ৰেছ আৰু বিজেপিৰ জাতিধ্বংসী পদক্ষেপৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হ'বলৈ তেওঁ আহ্বান জনায়। ইফালে গেছ ক্ৰেকাৰ প্ৰকল্পটোৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ৰাজ্যবাসীক আভুৱা ভাঁৰি থকা বুলি জানিবলৈ দি তেওঁ কয় ঃ ১ লাখ নিবনুৱাক গেছ ক্ৰেকাৰ প্ৰকল্পত চাকৰি দিম বুলি কৈ মুখ্যমন্ত্ৰী তৰুণ গগৈ আৰু পূৰ্বৰ উদ্যোগ মন্ত্ৰী প্ৰদ্যুৎ বৰদলৈয়ে গোটেই মিছা কথা ক'লে। তদুপৰি প্ৰকল্পটোৰ মহাপ্ৰবন্ধক বিমল কুমাৰৰ আত্মহত্যাৰ ঘটনা আৰু অসম লোকসেৱা আয়োগ (এ পি এছ চি)ৰ কেলেংকাৰীৰ চি বি আই তদন্ত দাবী কৰে সভাপতিগৰাকীয়ে। অইলৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক পদত একমাত্ৰ অসমীয়া হোৱাৰ বাবেই ৰূপশিখা শইকীয়া বৰাক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নিযুক্তিত অনুমোদন নিদিলে বুলি সমালোচনা কৰি তেওঁ কয় ঃ মাজুলীক বিশ্ব ঐতিহ্যৰ মৰ্যাদা দিয়াব পৰাও বিজেপি চৰকাৰখনে বঞ্চনা কৰিছে। আনহাতে অহা ২৬ আৰু ২৭ জুলাইত কলিয়াবৰত অগপৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব বুলিও তেওঁ সদৰী কৰে। সংবাদমেলত অগপৰ সাধাৰণ সম্পাদক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু প্ৰচাৰ সম্পাদক মনোজ শইকীয়া উপস্থিত থাকে।

# এজন ব্যক্তিৰ নামতে দুখনকৈ লিগেচী ডাটা

আমাৰ খবৰ, গোসাঁইগাঁও, ৯ জুলাই ঃ একেজন ব্যক্তিৰ নামত দুটা ভিন্ন নম্বৰত দুখনকৈ লিগেচী ডাটা প্ৰকাশ পোৱাৰ গুৰুতৰ আসোঁৱাহৰ এক তথ্য পোহৰলৈ আহিছে শেষাংশ ৬ পৃষ্ঠাত

## এজন ব্যক্তিৰ নামতে দুখনকৈ লিগেচী

গোসাঁইগাঁৱত। গোসাঁইগাঁও চহৰৰ ৩ নং ৱাৰ্ডৰ বাসিন্দা শংকৰ চৌধুৰীয়ে দুটা ভিন ভিন সেৱা কেন্দ্ৰৰ পৰা তেওঁৰ পিতৃ যোগেন্দ্ৰ লাল চৌধুৰীৰ ১৯৬৬ চনৰ ভোটাৰ তালিকাযুক্ত লিগেচী ডাটা সংগ্ৰহ কৰাত এখনত ইমেজ আই ডি ০৭২০৩৬৯৬ হোৱাৰ বিপৰীতে আনখনত ০৭২০১৭৬৩ প্ৰত্যক্ষ কৰাত উক্ত বিষয়টো স্পষ্ট কৰাৰ বাবে গোসাঁইগাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় প্ৰাংগণত স্থাপিত এন এছ কেত থকা সংশ্লিষ্ট ব্যক্তিসকলৰ কাষ চপাত তেওঁলোকে কম্পিউটাৰত বিচাৰি আসোঁৱাহটো ধৰা পেলায় আৰু উৰ্ধ্বতন কৰ্তৃপক্ষক ততালিকে বিষয়টো অৱগত কৰে। উল্লেখ্য যে এখনত যদি ভোটাৰ বয়স ৩৬, আনখনত ৬৬। কোনোবাখনত যদি মৌজা, ব্লক, ছাব ডিভিজনৰ নাম আছে কোনোবাখনত নাই। তদুপৰি ভোটাৰৰ নাম ভুল হৈ থকা পৰিলক্ষিত হোৱা এই দুখনৰ কোনখন প্ৰকৃত লিগেচী ডাটা তাক নিৰূপণ কৰিবলৈ সক্ষম নহ'ল সেৱা কেন্দ্ৰত নিয়োজিতসকল। এনেধৰণৰ মাৰাত্মক ভুল তথ্য সম্বলিত লিগেচী ডাটা অসমৰ জনসাধাৰণৰ বহু আকাংক্ষিত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী কিমান শুদ্ধ তথা গ্ৰহণযোগ্য হ'ব তাকে লৈ এতিয়া জনসাধাৰণৰ মাজত উত্থাপিত হৈছে অগণন প্ৰশ্ন।

... অসম লোকসেৱা আয়োগ (এ পি এছ চি)ৰ কেলেংকাৰীৰ চি বি ... তথা পৰিচালন সঞ্চালক পদত একমাত্ৰ অসমীয়া হোৱাৰ বাবেই ... অনুমোদন নিদিলে বুলি সমালোচনা কৰি তেওঁ কয় : মাজুলীক ... কৰিছে। আনহাতে অহা ২৬ আৰু ২৭ জুলাইত কলিয়াবৰত ... তেওঁ সদৰী কৰে। সংবাদমেলত অগপৰ সাধাৰণ সম্পাদক ৰমেন্দ্ৰ ... উপস্থিত থাকে।

অসমীয়া খবৰ · ১০/৭

# এনআৰচিৰ জটিলতা : পাকৰিগুৰিত চিপ লৈ আত্মহনন পঞ্চাশোৰ্দ্ধৰ সূত্ৰধৰৰ

আমাৰ খবৰ, ভৱানীপুৰ, ৯ জুলাই : ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াৰ বিভিন্ন জটিলতাৰ সন্মুখীন হৈ চিপ লৈ আত্মহত্যা কৰাৰ নিচিনা বিদাৰক ঘটনা সংঘটিত হ'ল বাগ্‌ছা জিলাৰ শালবাৰী আৰক্ষী থানাৰ অন্তৰ্গত পাকৰিগুৰি নামৰ এখন গাঁৱত। দিন হাজিৰা কৰি কোনো মতে জীৱন নিৰ্বাহ কৰা পাকৰিগুৰিৰ অংগত সূত্ৰধৰ (৫৭) নামৰ লোকজনে এনআৰ চিত নিজৰ আৰু পৰিয়ালৰ নাম অন্তৰ্ভুক্তিৰ বাবে বিগত কেইবাসপ্তাহো সন্মুখীন হৈ অহা যন্ত্ৰণাৰ বাবে কালি নিশাৰ ভাগত নিজৰ বাৰীৰ চুকত চিপ লৈ আত্মহনন কৰা কাৰ্যত নিজৰ গাঁৱৰ লগতে ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত শোকৰ ছাঁ পৰিছে। জানিব পৰা মতে কালি দিনৰ ভাগত অংগত সূত্ৰধৰৰ পুত্ৰ এজনে আনন্দ বজাৰস্থিত এন আৰ চি সেৱাকেন্দ্ৰত প্ৰ-পত্ৰ জমা দিবলৈ গৈ নথি-পত্ৰত বিভিন্ন আসোঁৱাহ থকা বুলি জানিবলৈ পাই ঘৰলৈ আহি দেউতাকৰ লগত উৱা-দিহ নোপোৱাৰ বিষয়ে আলোচনা কৰে আৰু দেউতাকৰ সম্বন্ধৰ আঁত বিচাৰি বিভিন্ন ঠাইলৈ যাবলৈ কয়। দেউতাকেও এইবিলাক বিষয়ে আঁতি গুৰি বিচাৰি নোপোৱা সম্পৰ্কে পুত্ৰক অৱগত কৰে। পাছত লোকজনে নিশাৰ ভাগত আত্মহত্যাৰ পথ বাছি লয় বুলি জানিব পৰা গৈছে। লোকজনে মৃত্যুৰ সময়ত পত্নী, দুজন পুত্ৰক ইহসংসাৰত এৰি থৈ যায়।